بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## বনু নজিৰৰ যুদ্ধৰ পৰিৱেশ,পৰিস্থিতি আৰু ঘটনাৱলীৰ বৰ্ণনা আৰু পাকিস্তানী আহমদী সকলৰ নিমিত্তে দোৱাৰ তেহেৰিক

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৪ জুন ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهٗ لَا شَرِيۡكَ لَهٗ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهٗ وَرَسُوۡلُهٗ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ ۔ الرَّحۡمٰنِ الرَّحِيۡمِ ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ ۔ اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ ۔ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আজিৰ খোতবাত বনু নজিৰৰ যুদ্ধ সম্পৰ্কে বৰ্ণনা কৰা হ'ব। বনু নজিৰ কবিলাৰ লোক মদিনাৰ ইহুদী সকলৰ বংশধৰ আছিল। কিছুমান ইতিহাসবিদে লিখিছে যে বনু নজিৰ খয়বৰৰ ইহুদী সকলৰ এটা কবিলা আছিল। ৰছুল্লাহ (ছাঃ)য়ে যেতিয়া মদিনালৈ আহে তেতিয়া এই কবিলাৰ চৰদাৰ আছিল হাই বিন আখতাব। উম্মুল মোমিনিন হজৰত চুফিয়া (ৰাঃ) এওঁৰেই জীয়েক আছিল। লিখিত আছে যে হাই বিন আখতাৰ বংশ বৃক্ষ হজৰত মুছা (আঃ)ৰ ভাই হজৰত হাৰুণ (আঃ)ৰ লগত গৈ মিলে। এনেদৰে হাই বিন আখতাবৰ বংশত বহু ব্যক্তি নবুয়তৰ সন্মানেৰে বিভুষিত হৈছিল। সেয়ে হাই বিন আখতাবৰ বৰ গৰিমা আছিল। তেওঁ কৈছিল যে আল্লাহ তা'লা আমাৰ ওপৰত ইহজগতও মেহেৰবান আৰু আখিৰাততও আমাৰ ওপৰত মেহেৰবান (দয়ালু) থাকিব। সি আমাক গোনাহৰ বাবে হয়তো কিছুদিন শাস্তি দিব কিন্তু অৱশেষত আমাৰ স্থান বেহেস্তত দিব। এই গৰিমাত আবিভূত হৈ হাই বিন আখতাবে ৰছুলুল্লাহ (ছাঃ)ৰ শিক্ষাক আওকান কৰিছিল। কবিলা বনু নজিৰৰ বস্তি হিচাপে মছজিদ কুবাৰ পৰা আধা মাইল মান আঁতৰত বসবাস কৰিছিল।

চন চাৰি হিজৰীৰ ৰবিউল আউৱাল মাহত বনু নজিৰৰ সৈতে মুছলমান সকলৰ এটা যুদ্ধ সংঘটিত হৈছিল। এঠাইত এয়াও উল্লেখ আছে যে এই যুদ্ধ উহুদৰ যুদ্ধৰ আগত সংঘটিত হৈছিল। বনু নজিৰৰ যুদ্ধ সৰঞ্জাম সম্পৰ্কে বৰ্ণিত আছে যে বদৰৰ যুদ্ধৰ আগতে মক্কাৰ কুৰাইছ সকলে আব্দুল্লাহ বিন ছলুল আৰু আউচ আৰু খজৰজৰ মূৰ্তি পূজাৰী সকললৈ লিখিছিল যে তোমালোকে আমাৰ লগৰীয়া অৰ্থাৎ মহম্মদ ৰছুলুল্লাহ (ছাঃ) ক আশ্ৰয় দিছা। আমি শপত খাই কৈছো যে হয়। তাক তোমালোকৰ চহৰৰ পৰা খেদি

পঠিয়াবা নহলে আমি গোটেই আৰব মিলি তোমালোকৰ ওপৰত আক্ৰমণ চলাম। আবি বিন ছুলুল আৰু অন্যান্য মূৰ্তি পূজাৰী সকলে যেতিয়া এই খবৰ পাইছিল তেতিয়া তেওঁলোকে পৰস্পৰে মিলা-মিলি কৰি ৰছুলুল্লাহ (ছাঃ)ৰ বিৰুদ্ধে যুদ্ধ দিবলৈ সিদ্ধান্ত লৈছিল। যেতিয়া আঁহজৰত (ছাঃ)য়ে এই সংবাদ পাইছিল তেতিয়া এখেত (ছাঃ)য়ে চাহাবা সকলৰ এটা জমাত লগত লৈ গৈ তেওঁলোকৰ লগত সাক্ষাৎ কৰি কয় যে কুৰাইছ সকলে তোমালোকৰ এয়া ভয় দেখুৱাই চিঠি লিখিছে। এই পত্ৰই যেন তোমালোকক প্ৰবঞ্চনাৰ বলি নবনায় আৰু তোমালোকে যেন প্ৰবঞ্চনৰা জালত পৰি নিজৰ ভাই, পুত্ৰ সকলৰ লগত যুদ্ধ নকৰা।

আঁহজৰত (ছাঃ)ৰ এই কথাবোৰ শুনি সেই চৰদাৰ বিলাকে বুজি পাই নিজৰ সিদ্ধান্ত বাতিল কৰে। ইয়াৰ পিছত কুৰাইছ সকলে বদৰৰ যুদ্ধত অৱতীৰ্ণ হয়। বদৰৰ যুদ্ধত পৰাস্ত হৈ ইহুদী সকললৈ আকৌ পত্ৰ প্ৰেৰণ কৰে যে তোমালোকৰ অস্ত্ৰ ভাণ্ডাৰ আছে আৰু তোমালোকে এটা দুৰ্গৰও মালিক। গতিকে তোমালোকে মুছলমানৰ বিৰুদ্ধে যুদ্ধ দিয়া নহলে আমি তোমালোকৰ ওপৰত আক্ৰমণ কৰিম। যেতিয়া ইহুদী সকলে এই পত্ৰ পাইছিল তেতিয়া বনু নজিৰৰ লোক সকলে আঁহজৰত (ছাঃ)ক প্ৰবঞ্চনা কৰি ক্ষতি কৰাৰ সিদ্ধান্ত লয়। বনু নজিৰে আঁহজৰত (ছাঃ)ক খবৰ দিয়ে যে তেখেত (ছাঃ)য়ে লগত ত্ৰিছ জন লোক লৈ সিহঁতৰ ওচৰত যাব লাগে; আৰু সিহঁতৰ ফালৰও ত্ৰিছ জন উলামা থাকিব তাতে কথা বতৰা হ'ব। সিহঁতে কয় যে যদি আমাৰ উলামা সকলে আপোনাৰ নবুয়ত সত্য বুলি মানি লয় আৰু আপোনাৰ ওপৰত ঈমান স্থাপন কৰে তেন্তে আমি সকলোৱে আপোনাৰ ওপৰত ঈমান স্থাপন কৰিম। ইয়াৰ পিছদিনাখন আঁহজৰত (ছাঃ)য়ে ত্ৰিছ জন চাহাবাক লগত লৈ বনু নজিৰৰ কবিলাৰ ফালে যাত্ৰা কৰে আৰু তাতে গৈ পোৱাৰ পিছত সিহঁতৰও ত্ৰিছ ইহুদী উলামা আহি উপস্থিত হয়।

ইয়াৰ পিছত সকলোকে এটা মুকলি পথাৰত একগোট হ'বলৈ নিৰ্দেশ দিয়া হয়। তেতিয়া ইহুদী সকলে পৰামৰ্শ কৰে যে তোমালোকে কেনেকৈ সিহঁতৰ ওপৰত আক্ৰমণ কৰিবা, যিহেতু মহম্মদ (ছাঃ)ৰ লগতও ত্ৰিছজন লোক আছে। গতিকে ইহুদী সকলে ষড়যন্ত্ৰ কৰি আঁহজৰত (ছাঃ)ক কয় যে আপোনাৰ ফালৰ তিনি জন উলামা আহক আৰু আমাৰ ফালৰ তিনিজন আলিম থাকিব। তাতে আলোচনা পতা হ'ব। এই চৰ্ত মানি লৈ আঁহজৰত (ছাঃ)য়ে তিনিজন উলামাৰ সৈতে পথাৰলৈ বুলি ওলাই যায়। ইহুদী সকলৰ উলামা তিনিজনৰ লগত খুকৰি আছিল। এই বিষয়ে ইহুদী সকলৰ এজনী সৰল মনা মহিলাই এজন আনছাৰী চাহাবীক ইহুদী সকলৰ চতুৰালি সম্পৰ্কে অৱগত কৰে। আঁহজৰত (ছাঃ)য়ে উক্ত ষড়যন্ত্ৰৰ বিষয়ে গম পাই নিজৰ লগৰীয়া সকলৰ সৈতে ইহুদী সকলৰ দুৰ্গৰ ফালে যাবলৈ ধৰে আৰু তাতে গৈ সিহঁতৰ দুৰ্গ অৱৰোধ কৰে আৰু খবৰ পঠাই দিয়ে যে যি পৰিস্থিতি তোমালোকে সৃষ্টি কৰিছা ইয়াৰ বাবে তোমালোকক মদিনাত থাকিবলৈ দিয়া নহয়, যেতিয়ালৈকে তোমালোকে মোৰ সৈতে চুক্তিবদ্ধ হৈ বিশ্বাস ভাজন নহ'বা। তোমালোকে চুক্তিবদ্ধ হ'ব লাগিব যে তোমালোকে ভৱিষ্যতলৈ চুক্তি ভঙ্গ নকৰিবা, বিশ্বাস ঘাতকতা নকৰিবা। কিন্তু ইহুদী সকলে এনে চুক্তি কৰিবলৈ অস্বীকাৰ কৰে। এনেদৰে যুদ্ধৰ সুত্ৰপাত ঘটে।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে এই যুদ্ধৰ কাৰণ বৰ্ণনা কৰোঁতে লিখিছে যে উমৰু বিন উমিয়া জামিৰি, যাক কাফিৰ সকলে গ্ৰেপ্তাৰ কৰি আকৌ এৰি দিছিল তেওঁ যেতিয়া ওভতি আহি আছিল তেতিয়া বাটতে তেখেতে বনু আমৰ গোত্ৰৰ দুজন লোকক লগ পায়, তেওঁলোকে ইতিমধ্যে আঁহজৰত (ছাঃ)ৰ লগত চুক্তিবদ্ধ হৈছিল। কিন্তু উমৰুৱে এই বিষয়ে অৱগত নাছিল। সেয়ে সুবিধা বুজি বীৰে মাওনাৰ শ্বহীদ সকলৰ পোতক তুলিবলৈ লোক দুজনক হত্যা কৰি পেলায়। যেতিয়া আঁহজৰত (ছাঃ)য়ে এই ঘটনা সম্পৰ্কে জানিব পাৰে, তেখেত (ছাঃ)য়ে বৰ অসন্তুষ্টি প্ৰকাশ কৰে আৰু সেই মৃত ব্যক্তিৰ তেজৰ এটা জৰিমনা সিহঁতৰ উত্তৰাধীকাৰী সকললৈ পঠিয়াই দিছিল।

যিহেতু বনু আমৰৰ লোক বনু নজিৰৰ বন্ধু আছিল আৰু বনু নজিৰ মুছলমান সকলৰ বন্ধু আছিল সেয়ে চুক্তি অনুসৰি এই জৰিমনাৰ ১/১২ ভাগ বনু নজিৰৰও দিবলগীয়া হৈছিল। এই বিষয়টো লৈ আঁহজৰত (ছাঃ)য়ে নিজৰ কেইজনমান চাহাবীৰ সৈতে বনু নজিৰৰ বস্তিত গৈ উপস্থিত হৈছিল আৰু এই জৰিমনাৰ অংশ আদায় দিবলৈ কৈছিল। যিদিনা আঁহজৰত (ছাঃ)য়ে এই জৰিমনা বিচাৰি বনু নজিৰৰ ওচৰত যায়, সেইদিনা শনিবাৰ আছিল। তেখেত (ছাঃ)ৰ লগত চাহাবা সকলৰ এটা সৰু জামাত আছিল, যাৰ সংখ্যা দহজনতকৈ কম বুলি বৰ্ণনা কৰা আছে। আঁহজৰত (ছাঃ)য়ে গৈ যেতিয়া ইহুদী সকলৰ পৰা (খুন বহা) তেজৰ জৰিমনা বিচাৰে তেতিয়া তেওঁলোকে কৈছিল যে হয়! আবুল কাছিম; আপুনি আগতে ভোজন কৰক তাৰ পিছত কথা হ'ব দিয়ক। দেখাত তেতিয়া ইহুদী সকলে বৰ আদৰ আপ্যায়ন কৰিছিল। কিন্তু ভিতৰত আছিল ষড়যন্ত্ৰ; আৰু আচলতে তেওঁলোকে আঁহজৰত (ছাঃ)ক হত্যা কৰাৰ পৰিকল্পনা ৰচি আছিল।

আঁহজৰত (ছাঃ)য়ে গৈ সেই ইহুদী ঘৰৰ এটা চুকত বহি লৈছিল তেতিয়া ইহুদী সকলে বুদ্ধি পাঙিছিল যে ওপৰৰ পৰা এটা ডাঙৰ পাথৰ পেলাই আঁহজৰত (ছাঃ)ক চূৰ্ণ-বিচুৰ্ণ কৰি পেলাব। বাকী বৰ্ণনা আগলৈ বৰ্ণনা কৰা হ'ব বুলি উল্লেখ কৰি হুজুৰ আনোৱাৰ (আইঃ)য়ে পাকিস্তানৰ আহমদী সকলৰ নিমিত্তে দোৱাৰ আবেদন জনাই কয় যে পাকিস্তানৰ আহমদী সকলৰ ওপৰত আকৌ জুলুম অত্যাচাৰ আৰম্ভ কৰা হৈছে। আল্লাহ তা'লা অতি সোনকালে সিহঁতক অত্যাচাৰীৰ হাতৰ পৰা ৰক্ষা কৰক আৰু তাতে আহমদী সকলৰ পৰিস্থিতি অনুকুলে হওঁক। সামান্য কথাতে সিহঁতে গোচৰ ৰুজু কৰি জুলুম চপাই অনাৰ অপচেষ্টা চলাই আছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে নামাজে জুমাৰ পিছত নিম্ন লিখিত মৰহুমিন সকলৰ নামাজে জানাজা গায়েব পঢ়োৱাৰ ঘোষণা কৰে আৰু সিহঁতৰ চমু পৰিচয় বৰ্ণনা কৰে

ইয়াৰে প্ৰথম জন হ'ল মকৰম গোলাম ছৰোৱাৰ চাহাব শ্বহীদ ইবনে মকৰম বশিৰ আহমদ চাহাব অফ ছঈদুল্লাহ পুৰমনডী বাহাউদ্দিন। এখেতক এজন আহমদী বিৰোধী লোকে ৮ জুন তাৰিখত শ্বহীদ কৰিছে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। মৰহুম মুচি আছিল আৰু পাঁচ ওয়াক্ত নামাজী নফল ৰোজা ৰাখোতা আৰু নিয়মিত কোৰাণ তিনাওৱাতকাৰী লোক আছিল। দৰূদ পাঠ বেছি বেছি কৰিছিল, জামাতৰ কিতাপ পত্ৰ পঢ়িছিল, ছাদকা আদি কৰাৰ অভ্যাস আছিল আৰু মনে মনে অভাৱগ্ৰস্ত সকলক দান দক্ষিণা দিছিল। মৰহুমৰ দাউয়াতে ইলাল্লাহৰ প্ৰতি বৰ আগ্ৰহ আছিল। বহু নেক বান্দাই এখেতৰ জৰিয়তে আহমদীয়ত গ্ৰহণ কৰিছে। অতীতত হোৱা কলিমাৰ মুহিমত আন আন লোকৰ সৈতে এখেতও তিনি চাৰি দিনৰ বাবে আছিৰানে ৰাহে মাওলা হোৱাৰ তৌফিক লাভ কৰিছিল। মৰহুমে পত্নীৰ সৈতে দুজন পুত্ৰ আৰু তিনিজনী জীয়েক এৰি থৈ গৈছে।

দ্বিতীয় জন হ'ল মকৰম ৰাহাত আহমদ বাজোৱা চাহাব শ্বহীদ ইবনে মকৰম মুস্তাক আহমদ চাহাব অফ ছঈদুল্লাহৰ মণ্ডীবাহাউদ্দিন। এখেতকও এজন আহমদীয়ত বিৰোধী লোকে ৮ জুন তাৰিখত শ্বহীদ কৰিছে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। খিলাফতৰ সৈতে মৰহুমৰ আন্তৰিক প্ৰেম আছিল। জামাতি কামত সদায় আগবঢ়া আছিল। দোৱাৰ প্ৰতি মনোযোগী আছিল। মৰহুমে পিতৃ-মাতৃৰ বাদে পত্নী আৰু দুজনী কন্যা সন্তান, (যাৰ বয়স চাৰি বছৰ ছয় মাহ) এৰি যায়।

তৃতীয়জন মৰহুম হ'ল মকৰম মালিক জাফৰ খান জাবিয়া চাহাব। এখেত যোৱা কালি মৃত্যু বৰণ কৰিছে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। মৰহুম আল্লাহৰ কৃপাত মুচি আছিল। এখেতৰ পুত্ৰ মকৰম মহম্মদ মতিউল্লাহ জুবিয়া চাহাব মুৰববী ছিলছিলা, বৰ্তমানে হাওৱাইত খিদমত কৰি আছে। এখেত পিতৃৰ দফন কফনত চামিল হ'ব পৰা নাই। মৰহুম সজ,মুত্তাকী সাধাৰণ জীৱন-যাপনকাৰী, তাহাজ্জুদ

গোজাৰ, পাঁচ ওয়াক্ত নামাজী, জামাতী পদবীদাৰ সকলক শ্ৰদ্ধা কৰোঁতা মুখলিচ লোক আছিল। ২০০৫ চনত অচিয়তৰ তেহেৰিকত চামিল হোৱা কাৰণে তেখেতে অচিয়তৰ ১/১০ ভাগৰ সলনি ১/৩ ভাগ কৰি দিছিল। মৰহুমে ল'ৰা-ছোৱালীক শিক্ষা দিছিল যে মালি কোৰবাণী মানুহে প্ৰথমে কৰিব লাগে, ছেক্ৰেটাৰী মাল আহি মনত পেলাই দিব নালাগে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে মৰহুমিন সকলৰ বাবে মাগফিৰাত আৰু উন্নত মৰ্যদা প্ৰাপ্তিৰ নিমিত্তে দোৱা কৰে। খোতবা জুমাৰ শেষত হুজুৰ (আইঃ)য়ে মকৰম চৌধুৰী নাছুৰুল্লাহ খান চাহাব আৰু মকৰম কনুৰ ইদ্ৰিছ চাহাবৰ চমু পৰিচয় দাঙি ধৰি নামাজ জানাজা গায়েব পঢ়োৱাৰ ঘোষণা কৰে। আল্লাহ তা'লা মৰহুমিন সকলৰ পৰলৌকিক মৰ্যদা উন্নত কৰি ক্ষমাৰ দোৱাৰ উন্মোচন কৰক। (আমীন)

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَن یَّھْدِہِ اللّٰہُ فَلاَ مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلاَ ھَادِیَ لَہٗ وَنَشْھَدُ أَنْ لَآ اِلٰہَ اِلاَّ اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ. عِبَادَاللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 14 JUNE 2024**

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................................
..............................................................................................................................................
..............................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844**

অনুবাদক : শ্বাহজাহান আলি মুৰাব্বিম ছিলছিলা